অধ্যায় ৫ ঃ ব্যয়

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ব্যয়ৰ অর্থ

৫.৪ ব্যয় ফলন

৫.৫ ব্যয়ৰ ধাৰণাসমূহ

- ৫.৫.১ সুযোগ ব্যয়
- ৫.৫.২ প্রকাশ্য আৰু অন্তর্নিহিত ব্যয়
- ৫.৫.৩ মুদ্রা আৰু প্রকৃত ব্যয়
- ৫.৫.৪ হিচাব আৰু আর্থিক ব্যয়
- ৫.৫.৫ নিমজ্জিত (Sunk) ব্যয়
- ৫.৫.৬ প্রান্তিক আৰু ক্রমবর্দ্ধিত ব্যয়

৫.৬ হ্রস্বকালীন ব্যয়

- ৫.৬.১ স্থিৰ ব্যয় আৰু পৰিৱর্তনশীল ব্যয়
- ৫.৬.২ মুঠ ব্যয়
- ৫.৬.৩ গড় ব্যয়
- ৫.৬.৪ প্রান্তিক ব্যয়
- ৫.৬.৫ প্রান্তিক, গড় আৰু গড় পৰিৱর্তনশীল ব্যয়

৫.৭ দীর্ঘকালীন ব্যয়

- ৫.৭.১ দীর্ঘকালীন গড় ব্যয় (LAC)
- ৫.৭.২ দীর্ঘকালীন প্রান্তিক ব্যয় (LMC)

৫.৮ ব্যয় ফলন পৰিচালন সম্পর্কীয় ব্যৱহাৰসমূহ

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্রগতিৰ খতিয়ান

৫.১২ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ব্যয়ৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব

- ব্যয় আৰু উৎপাদনৰ মাজৰ সম্পৰ্ক বৰ্ণনা কৰিব পাৰিব
- ব্যয়ৰ বিভিন্ন ধাৰণাসমূহ ব্যাখ্যা কৰিব পাৰিব
- হ্ৰস্বকালীন ব্যয়ৰ ধাৰণাসমূহ আলোচনা কৰিব পাৰিব
- দীৰ্ঘকালীন ব্যয়ৰ ধাৰণাসমূহ বৰ্ণনা কৰিব পাৰিব
- অতি উত্তম উৎপাদন আৰু ব্যয় সংযোজন নিৰ্ধাৰণত পৰিচালকৰ ভূমিকা আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আমি উৎপাদনৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়ত আমি ব্যয়ৰ ধাৰণাসমূহ বিশ্লেষণ কৰিম। উৎপাদন ব্যয়ে কোনো এটা ব্যৱসায় প্ৰতিষ্ঠানে দ্ৰব্য আৰু সেৱাৰ উৎপাদনৰ বাবদ খৰচ কৰা মুঠ মুদ্ৰা ব্যয়ক বুজায়।

অৰ্থনীতিত ব্যৱহাৰ হোৱা উৎপাদন ব্যয়ৰ বহুতো ধাৰণা আছে। যেতিয়া আমি এটা ব্যৱসায় প্ৰতিষ্ঠানৰ ব্যয় সম্বন্ধে আলোচনা কৰোঁ, সাধাৰণতে আমি তেতিয়া মুদ্ৰা ব্যয়কে বুজাওঁ। তথাপিও ব্যয়ৰ অন্য কিছুমান ধাৰণা আছে যিবোৰে অৰ্থনীতিবিদসকলৰ মনোযোগ আকৰ্ষণ কৰিছে। আমি এই অধ্যায়ত ব্যয়ৰ বিভিন্ন ধাৰণাসমূহ আলোচনা কৰিম।

উৎপাদন ব্যয়ৰ ক্ষেত্ৰত সময়-কাল যথেষ্ট গুৰুত্বপূৰ্ণ হয়। আমি ইতিমধ্যে হ্ৰস্বকাল আৰু দীৰ্ঘকাল সম্পৰ্কে উল্লেখ কৰিছো। হ্ৰস্বকালত উৎপাদনৰ উপাদানসমূহৰ কিছুমান উপাদানৰ পৰিৱৰ্তন সাধন কৰিব নোৱাৰি আৰু সেয়েহে সেইবোৰ স্থিৰ হৈ থাকে। কিন্তু দীৰ্ঘকালত সকলোবোৰ উপাদানেই পৰিৱৰ্তনশীল হয়। এই অধ্যায়ত আপুনি হ্ৰস্বকাল আৰু দীৰ্ঘকালৰ ব্যয়ৰ ধাৰণা সম্বন্ধে জ্ঞান আহৰণ কৰিব পাৰি।

৫.৩ ব্যয়ৰ অৰ্থ

যিকোনো উৎপাদন প্ৰতিষ্ঠানে উৎপন্ন উৎপাদন কৰিবলৈ উৎপাদনৰ আহিলা বা উপাদান যেনে— ভূমি, শ্ৰম, মূলধন আৰু সংগঠন নিয়োগ কৰিব লাগে। উৎপাদনৰ উপাদানবোৰ মুক্ত দ্ৰব্য নহয়। বৰঞ্চ আৰ্থিক দ্ৰব্য হয়। যেতিয়া উৎপাদনৰ উপাদানসমূহৰ সেৱাবোৰ উৎপাদন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা হয় তাৰ বিনিময়ত উপাদানসমূহক মূল্য পৰিশোধ কৰিব লগা হয়। ভূমিয়ে খাজনা লাভ কৰে, শ্ৰমে মজুৰি লাভ কৰে, মূলধনে সুদ লাভ কৰে আৰু সংগঠনে মুনাফা লাভ কৰে। সেইবাবে উৎপাদন ব্যয় হ'ল উৎপাদনৰ উপাদানসমূহে উৎপাদন প্ৰক্ৰিয়াত আগবঢ়োৱা সেৱাৰ বাবদ পৰিশোধ এক দেনা।



আৰ্থিক দ্ৰব্য ঃ যিবোৰ দ্ৰব্য বা সেৱা মানুহৰ বাবে ব্যৱহাৰযোগ্য আৰু যিবোৰ পাবলৈ মূল্য পৰিশোধ কৰিব লাগে সেইবোৰেই হ'ল আৰ্থিক দ্ৰব্য। এইবোৰৰ চাহিদাৰ তুলনাত কম বা সীমিত হয়।

৫.৪ ব্যয় ফলন

ব্যয় ফলন বুলিলে ব্যয় আৰু উৎপাদনৰ মাজৰ কাৰ্যকৰী বা কাৰকৰী সম্পৰ্ককে বুজায়।

ই প্রতিটো উৎপাদনৰ স্তৰত মুঠ ব্যয়ক দেখুৱায়। ব্যয় ফলন তলত দিয়া ধৰণেৰে প্ৰকাশ কৰিব পাৰি—

$$C = f(Q)$$

য'ত C = মুঠ ব্যয়

Q = উৎপাদন

প্রতিটো উৎপাদনৰ স্তৰত এটা উৎপাদন প্রতিষ্ঠানে সর্ব নিম্ন ব্যয় উৎপাদন সংযোজন পচন্দ কৰে, অর্থাৎ, উপাদান সংযোজন যিটো সর্ব নিম্ন খৰচী ব্যয়।

৫.৫ ব্যয়ৰ ধাৰণাসমূহ

উৎপাদন ব্যয়ৰ বিভিন্ন ধাৰণাবোৰ হ'ল—

৫.৫.১ সুযোগ ব্যয়

সুযোগ ব্যয়ৰ ধাৰণাটোৱে আধুনিক আর্থিক বিশ্লেষণত এক তাৎপর্যপূর্ণ ভূমিকা পালন কৰিছে। আমি জানো যে সম্পদৰ নাটনিৰ বাবেই আমাৰ সকলোবোৰ অভাৱ পূৰণ কৰিব নোৱাৰো। যদি আমি কোনো এটা বস্তু অধিক পৰিমাণে বিচাৰো তেতিয়াহ'লে আন এটা দ্রব্যৰ পৰিমাণ হ্রাস হ'ব, অর্থাৎ, আমি কোনো এটা দ্রব্যৰ অধিক গোট পাবলৈ আন এটা দ্রব্যৰ কিছু গোট ত্যাগ কৰিব লগা হয়। ত্যাগ স্বীকাৰ কৰা দ্রব্যটো লাভ কৰা দ্রব্যটোৰ সুযোগ ব্যয়। এইদৰে কোনো এটা দ্রব্যৰ সুযোগ ব্যয় হ'ল ইয়াৰ পৰৱর্তী উত্তম দ্রব্য যিটো ত্যাগ কৰা হয়। উদাহৰণস্বৰূপে, এজন কৃষকে এক একৰ ভূমিত এক নির্দিষ্ট পৰিমাণৰ ফলদায়ক সম্পদ বিনিয়োগ কৰি ১০০ কুইণ্টল ধান অথবা ১১০ কুইণ্টল ঘেঁহু উৎপাদন কৰিব পাৰে। এই ক্ষেত্রত কৃষকজনে ঘেঁহু উৎপাদনৰ সিদ্ধান্ত গ্রহণ কৰিলে তেওঁ ধানৰ উৎপাদন ত্যাগ কৰিব লাগিব। ইয়াত ১০০ কুইণ্টল ধান ১১০ কুইণ্টল ঘেঁহু উৎপাদনৰ সুযোগ ব্যয় হয়। যিহেতুকে সুযোগ ব্যয় হ'ল বিকল্প পৰিহাৰ/উৎসর্গ কৰা ব্যয় সেয়েহে ইয়াক বিকল্প ব্যয় বুলিও কোৱা হয়।

তথাপিও সুযোগ ব্যয়ৰ ধাৰণাটোৰ কিছুমান সীমাবদ্ধতা আছে। প্রথমতে, এনে কিছুমান উপাদান আছে যিবোৰৰ কেতবোৰ নির্দিষ্ট ব্যৱহাৰ আছে আৰু সেইবোৰৰ উৎপাদনৰ এটা ক্ষেত্রৰ পৰা আন এটা ক্ষেত্রলৈ হস্তান্তৰ কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, যদি যন্ত্রটো কাগজ মিলত ব্যৱহাৰ কৰা হয়, তেতিয়াহ'লে সেই যন্ত্রটো কাপোৰ বোৱা উদ্যোগত ব্যৱহাৰ কৰিব নোৱাৰি। গতিকে তেনে উপাদানৰ সুযোগ ব্যয় শূন্য হয়।

দ্বিতীয়তে, কিছুমান সুযোগ ব্যয় জুখিব কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, ঔদ্যোগিক অঞ্চলত বায়ু, শব্দ আৰু জল প্রদূষণৰ ফলত জনসাধাৰণে ভোগ কৰা

সংকট আৰু আহুকাল জীয়াতু পৰিমাপ কৰিব নোৱাৰি।

কিছুমান ত্ৰুটি থাকিলেও সুযোগ ব্যয়ৰ ধাৰণাটো অৰ্থনীতি বিজ্ঞানত বহুলভাৱে ব্যৱহাৰ কৰা হৈছে। অতীত কালৰে পৰা অৰ্থনীতিবিদসকলে বিভিন্ন ক্ষেত্ৰত আৰ্থিক কাম-কাজৰ বিশ্লেষণৰ বাবে এই ধাৰণাটো ব্যৱহাৰ কৰি আহিছে।

৫.৫.২ প্ৰকাশ্য আৰু অন্তৰ্নিহিত ব্যয়

উৎপাদন প্ৰক্ৰিয়াত সংগঠক, যিজনে অন্য তিনিটা উপাদান যেনে— ভূমি, শ্ৰম, মূলধন সংগ্ৰহ কৰে আৰু একত্ৰিতভাৱে উপাদানসমূহ ব্যৱহাৰ কৰে। অতীতত যেতিয়া মানুহৰ জীৱন সৰল আছিল, ভূমি, শ্ৰম আৰু মূলধনৰ সহায়ত প্ৰয়োজনীয় দ্ৰব্য সামগ্ৰী উৎপাদন কৰাটো সম্ভৱ হৈছিল। কিন্তু আজিৰ দিনত সেই পৰিস্থিতি দেখিবলৈ পোৱা নাযায়। সমাজ এখন বহুতো অভাৱৰ সৈতে ক্ৰমান্বয়ে বৃহৎ হৈ পৰিছে। উৎপাদনৰ মাত্ৰা বৃদ্ধি কৰা হৈছে আৰু পূৰ্বতকৈ অধিক জটিল হৈ পৰিছে। সেয়ে এই পৰিস্থিতিত এজন সংগঠকৰ তেওঁৰ নিজৰ ভূমি, শ্ৰম আৰু মূলধনৰ সহাত উৎপাদন কাৰ্য সম্পাদন কৰাটো সম্ভৱপৰ হৈ থকা নাই। এতিয়া সংগঠকজনে বিভিন্ন উৎসৰ পৰা এই উপাদানবোৰ লাভ কৰে আৰু সেইবোৰৰ সেৱাবোৰ ব্যৱহাৰৰ বাবদ মূল্য পৰিশোধ কৰে।

প্ৰকাশ্য ব্যয় বুলিলে উৎপাদনৰ সেইবোৰ উপাদানৰ ব্যয়ক বুজায় যিবোৰৰ মূল্য বাহিৰৰ উৎসবোৰক পৰিশোধ কৰা হয়। প্ৰকাশ্য ব্যয়ক আনক পৰিশোধৰ ব্যয় বুলিও কোৱা হয়। এই ব্যয়বোৰ উদ্যোমীতা এজনে সেইসকল ব্যক্তিক পৰিশোধ কৰিবৰ বাবে বহন কৰে যিসকলৰ পৰা উৎপাদনৰ উপাদানবোৰ বা উপাদানৰ সেৱাবোৰ লাভ কৰে। উদাহৰণস্বৰূপে, উদ্যোমী এজনে শ্ৰম নিয়োগৰ বাবে মজুৰি পৰিশোধ কৰিব লাগে, ঋণ লোৱা মূলধনক সুত আৰু ভূমি বা ঘৰৰ বাবদ খাজনা আদায় দিব লাগে। এইবোৰ হ'ল প্ৰকাশ্য ব্যয়।

আনহাতে, উৎপাদন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা উদ্যোমীজনৰ নিজৰ সম্পদৰ খৰছেই হ'ল অন্তৰ্নিহিত ব্যয়। উদাহৰণস্বৰূপে, উদ্যোমীতাৰ নিজৰ ঘৰৰ খাজনা, উদ্যোমীতাই বিনিয়োগ কৰা নিজৰ মূলধনৰ সুত ইত্যাদি। যিহেতু উদ্যোমীজনে তেওঁৰ ব্যৱসায়ৰ মালিক হয়, সেয়েহে তেওঁ তেওঁৰ নিজৰ মূলধন বিনিয়োগ কৰিব পাৰে। ব্যৱসায়ত তেওঁ এজন পূৰ্ণকালীন কৰ্মী হ'ব পাৰে, উদাহৰণস্বৰূপে তেওঁ এজন কাৰ্যনিৰ্বাহক সঞ্চালক হ'ব পাৰে যাৰ বাবদ কোনো দৰমহা আদায় নল'বও পাৰে।

যদি তেওঁ এইবোৰ উপাদান আনক ঋণ দিলেহেঁতেন, তেওঁ তেওঁলোকৰ পৰা বেতন লাভ কৰিলেহেঁতেন। গতিকে মুনাফা নিৰ্ধাৰণৰ ক্ষেত্ৰত সেইবোৰৰ হিচাপ ল'বই লাগিব। কিন্তু যিহেতুকে সেইবোৰ আনক পৰিশোধ কৰা নহয়, সেয়েহে সেইবোৰক অন্তৰ্নিহিত ব্যয় বুলি কোৱা হয়।



অৱক্ষয়/মূলধনৰ ক্ষয়-ক্ষতিৰ খৰচ ঃ স্থিৰ মূলধন উৎপাদন কার্যত বাৰম্বাৰ ব্যৱহাৰ কৰাৰ ফলত হোৱা হানি বা ক্ষয়-ক্ষতি আৰু প্রত্যাশিত যন্ত্রপাতিৰ পৰিৱর্তনৰ ফলত সেইবোৰৰ মূল্য হ্রাস হয় আৰু ইয়াকে অৱক্ষয় বুলি কোৱা হয়।

৫.৫.৩ মুদ্রা আৰু প্রকৃত ব্যয়

এটা দ্রব্য উৎপাদন কৰোতে মুদ্রাৰ ৰূপত যিখিনি ব্যয় হয় তাকেই উৎপাদনৰ মুদ্রা ব্যয় বুলি কোৱা হয়। এইবোৰ ব্যয় মুদ্রাৰ মানত প্রকাশ কৰা হয়। তলত দিয়া খৰছবোৰ উৎপাদন ব্যয়ত অন্তর্ভুক্ত কৰা হয় যিবোৰক মুদ্রা ব্যয় বুলি কোৱা হয়।

(ক) কেঁচা সামগ্রীৰ ব্যয়

(খ) মূলধনৰ বাবদ সুত

(গ) ভূমিৰ বাবদ খাজনা

(ঘ) উদ্যোমীতাৰ সেৱাৰ ব্যয় (মুনাফা)

(ঙ) মজুৰি আৰু দৰমহা

(চ) বিদ্যুৎ/বিজুলী শক্তিৰ বাবদ ব্যয়

(ছ) বিজ্ঞাপন ব্যয়

(জ) পৰিবহন ব্যয়

(ঝ) মূলধনৰ ক্ষয়-ক্ষতিৰ আৰু অপ্রচলিত যন্ত্রপাতিৰ খৰচ/উৎপাদন কৌশলৰ পৰিৱর্তনৰ খৰছ

(ঞ) বীমা মাচুল

(ট) সকলো প্রকাৰৰ কৰ যেনে— সম্পত্তি কৰ, অনুজ্ঞাপত্রৰ মাচুল, আবকাৰী শুল্ক ইত্যাদি।

(ঠ) দ্রব্য বাকচত ভৰোৱা খৰছ।

গতিকে মুদ্রা ব্যয় হ'ল এখন ব্যৱসায় প্রতিষ্ঠানে উৎপাদনৰ উপাদানৰ ওপৰত কৰা মুদ্রা খৰছ, যিবোৰে এখন ব্যৱসায় প্রতিষ্ঠানক এটা দ্রব্য উৎপাদন আৰু বিক্রী কৰাত সামর্থবান কৰি তোলে।

ব্যয়ৰ আন এটা ধাৰণা হ'ল প্রকৃত ব্যয়। ই এটা দর্শন শাস্ত্র সম্বন্ধীয় গভীৰ ধাৰণা যিটোৱে সমাজৰ বিভিন্ন সদস্যই কোনো এটা দ্রব্য উৎপাদনত কৰা সেই সকলো প্রচেষ্টা আৰু ত্যাগক বুজায়। এই ধৰণৰ ব্যয়ক পৰিমাণত প্রকাশ কৰাটো যথেষ্ট টান হয়। মার্শ্বালে এই ব্যয়বোৰক 'উৎপাদনৰ সামাজিক ব্যয়' বুলি আখ্যা দিছে। আডাম স্মিথ-এ শ্রমৰ যাতনা আৰু ত্যাগক উৎপাদনৰ প্রকৃত ব্যয় বুলি আখ্যা দিছে। আন কিছুমান অর্থনীতিবিদে কোনো এটা দ্রব্য পাবলৈ ইয়াৰ পৰৱর্তী উত্তম বিকল্প যিটো ত্যাগ কৰা হয় তাকেই প্রকৃত ব্যয় বুলি সংজ্ঞা আগবঢ়াইছে। এইদৰে কোনো এটা দ্রব্যৰ উৎপাদনত উপাদানসমূহৰ সমস্যা, ত্যাগক আমি প্রকৃত ব্যয় বুলি ক'ব পাৰি।

এই ধাৰণাটো অন্য এটা অর্থত ব্যৱহাৰ কৰা হয়। দৃষ্টান্তস্বৰূপে ই উৎপাদন প্রক্রিয়াত ব্যৱহাৰ কৰা সকলোবোৰ বোধগম্য সম্পদ যেনে— কেঁচা সামগ্রী আৰু শ্রমৰ মূল্যক অন্তর্ভুক্ত কৰে। অন্য শব্দত, প্রকৃত ব্যয়ে এটা দ্রব্যৰ উৎপাদনত ব্যৱহাৰ

কৰা উৎপাদনৰ উপাদানসমূহৰ যোগফলৰ সমষ্টিক বুজায়-২০০ ঘণ্টা শ্ৰম, ১০০০ বস্তা চিমেণ্ট, ১০০০ কুইণ্টল ষ্টীল আৰু ঠিক এইধৰণৰ বহুতো।

৫.৫.৪ হিচাব আৰু আৰ্থিক ব্যয়

হিচাব ব্যয়ে কেৱল অৰ্থনীতিবিদসকলে আখ্যা দিয়া প্ৰকাশ্য ব্যয়কহে অন্তৰ্ভুক্ত কৰে। ই কেৱল উদ্যোমী এজনে উৎপাদনক্ষম উপাদানসমূহৰ বাহিৰৰ যোগান ধৰোঁতাক কৰা পৰিশোধ আৰু খৰছখিনিকহে অন্তৰ্ভুক্ত কৰে। উদাহৰণ স্বৰূপে, আপুনি যদি আপোনাৰ ঘৰৰ পৰা কাপোৰ বিক্ৰীৰ ব্যৱসায় মুকলি কৰে তেতিয়াহ'লে হিচাব ব্যয়ে আপুনি কাপোৰৰ পাইকাৰী বিক্ৰেতাক পৰিশোধ কৰা কাপোৰৰ দাম, বিজ্ঞাপনৰ বাবদ খৰছ কৰা মুদ্ৰা আৰু হোৱা আপোনাৰ সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত খৰছৰ পৰিমাণক অন্তৰ্ভুক্ত কৰিব।

এটা বিত্তীয় বৰ্ষৰ সময়ছোৱাত এটা কোম্পানীয়ে বহন কৰা মুঠ প্ৰকাশ্য ব্যয়ৰ পৰা হিচাব ব্যয় উদ্ভৱ হৈছে। অব্যৱহৃত সম্পদৰ পৰা সৃষ্টি হোৱা অন্তৰ্নিহিত ব্যয়ক হিচাব ব্যয়ে অন্তৰ্ভুক্ত নকৰে। এটা বিত্তীয় বৰ্ষৰ অন্তত প্ৰকৃত আয় নিৰ্ধাৰণ কৰিবলৈ মুদ্ৰাগত মূল্যত নিৰ্ধাৰিত প্ৰকাশ্য ব্যয়ক হিচাব ব্যয়ত ধৰা হয়। উদাহৰণস্বৰূপে যদি কোনো এটা কোম্পানীয়ে কৰ্মচাৰীৰ মজুৰিৰ বাবদ ১,০০,০০০ টকা, সঁজুলি/সৰঞ্জাম বাবদ ৫০,০০০ টকা আৰু সুত পৰিশোধৰ বাবদ ২০,০০০ টকা ব্যয় কৰে তেতিয়াহ'লে বছৰটোৰ বাবে মুঠ হিচাব ব্যয় হ'ব ১,৭০,০০০ টকা।

আৰ্থিক ব্যয় কিছু পৰিমাণে হিচাব ব্যয়ৰ পৰা পৃথক হয়। হিচাব ব্যয়ে সেইবোৰ ব্যয়ক বিবেচনা কৰে যিবোৰ এখন ব্যৱসায় প্ৰতিষ্ঠানৰ উদ্যোমীজনৰ দ্বাৰা আনক আদায় দিয়া নগদ পৰিশোধ জড়িত হৈ থাকে, যিবোৰক আমি প্ৰকাশ্য ব্যয় বুলি ক'ব পাৰি। আৰ্থিক ব্যয়ে এই সকলোবোৰ হিচাব ব্যয়ক সাঙুৰি লয়, কিন্তু ইয়াৰোপৰি, উদ্যোমী এজনে নিজৰ মুদ্ৰা মূলধনৰ বিনিয়োগ আৰু তেওঁৰ নিজৰ সেৱা আৰু অন্যান্য উপাদান যদি এইবোৰৰ পৰৱৰ্তী উত্তম বিকল্প ব্যৱহাৰৰ পৰা লাভ কৰিব পৰা সম্ভাব্য উপাৰ্জনৰ মুদ্ৰাৰ পৰিমাণকো আৰ্থিক ব্যয়ত ধৰা হয়। আনৰ মালিকাধীন উপাদানবোৰ ভাড়াত/ক্ৰয় কৰিবলৈ এখন ব্যৱসায় প্ৰতিষ্ঠানে যিখিনি আনক পৰিশোধ কৰে তাকেই হিচাব ব্যয় বোলা হয় আৰু ইয়াক প্ৰকাশ্য ব্যয় বুলিও কোৱা হয়। উদ্যোমীজনে বিনিয়োগ কৰা মুদ্ৰা মূলধনৰ প্ৰতিদান আৰু তেওঁৰ সেৱাৰ মজুৰি বা দৰমহা আৰু ব্যৱসায় প্ৰতিষ্ঠানত নিয়োগ কৰা তেওঁৰ নিজৰ অন্যান্য উপাদানবোৰৰ সুযোগ ব্যয় আদিক অন্তৰ্নিহিত ব্যয় বুলি কোৱা হয়। আৰ্থিক ব্যয়ে প্ৰকাশ্য আৰু অন্তৰ্নিহিত এই দুয়ো প্ৰকাৰৰ ব্যয়ক বিবেচনা কৰে। গতিকে, আৰ্থিক ব্যয় = হিচাব ব্যয় + অন্তৰ্নিহিত ব্যয়

৫.৫.৫ নিমজ্জিত ব্যয়

প্রত্যেকটো উদ্যোগত ব্যৱসায় প্রতিষ্ঠানবোৰে মুদ্রা উপার্জন কৰিবলৈ মুদ্রা ব্যয় কৰিব লাগে। এটা কোম্পানীৰ বাজেটে কর্মচাৰীৰ দৰমহা পৰিশোধ, মজুত ভাণ্ডাৰ বা অফিচৰ ঠাই বা ব্যৱসায় কৰিবৰ বাবে আন যিকোনো ব্যয় আদিৰ বাবে মুদ্রা বিনিয়োগৰ অনুমতি প্রদান কৰিব পাৰে। কোম্পানীৰ মুদ্রা এবাৰ ব্যয় হোৱাৰ পিছত সেই মুদ্রাক নিমজ্জিত ব্যয় বুলি বিবেচনা কৰা হয়। ইতিমধ্যে বহন কৰা নিমজ্জিত ব্যয়ক পুনৰাই পাব নোৱাৰি। যিখিনি মুদ্রা ইতিমধ্যে খৰছ কৰা হৈছে সেইখিনি স্থায়ীভাৱে লুপ্ত হৈছে। উদাহৰণ স্বৰূপে, এবাৰ যদি খাজনা পৰিশোধ কৰা হৈছে, সেই পৰিমাণৰ মুদ্রা কোনো দিনে পুনৰাই পাব নোৱাৰি, এইটোৱেই হ'ল নিমজ্জিত ব্যয়।

নিমজ্জিত ব্যয়বোৰ ভৱিষ্যতে হ'ব পৰা কোনো ঘটনাৰ স্বাধীন হয়। নিমজ্জিত ব্যয় হ'ল অতীতৰ সুযোগ ব্যয় যিখিনি আংশিকভাৱে অথবা সম্পূর্ণভাৱে উদ্ধাৰ কৰিব নোৱাৰি আৰু সেইবাবে ইয়াক ভৱিষ্যতৰ সিদ্ধান্ত নির্দ্ধাৰণত অসংগত বুলি বিবেচনা কৰা উচিত।

নিমজ্জিত ব্যয়ৰ কিছুমান উদাহৰণ—

উদাহৰণ ১ ঃ কোনো এটা কোম্পানীয়ে ইয়াৰ নিলাম বিভাগৰ কর্মচাৰীসকলক নতুন টেবলেট কম্পিউটাৰ ব্যৱহাৰৰ সম্পর্কে, (যিটো গ্রাহকৰ আদেশ গ্রহণত ব্যৱহাৰ কৰা হ'ব) প্রশিক্ষণ দিয়াৰ বাবদ ১,০০,০০০ টকা খৰছ কৰিছে। কম্পিউটাৰ অবিশ্বাসী বুলি প্রমাণিত হ'ল আৰু নিলাম পৰিচালকে কম্পিউটাৰৰ ব্যৱহাৰ স্থগিত ৰাখিব বিচাৰিছে। এইদৰে প্রশিক্ষণৰ ব্যয়ক অর্থাৎ ১,০০,০০০ টকা হ'ল নিমজ্জিত ব্যয়।

উদাহৰণ ২ ঃ এটা ব্যৱসায় প্রতিষ্ঠানে এটা যন্ত্রপাতি ক্রয়ৰ বাবদ ৩,০০,০০০ টকা খৰছ কৰিছে। কিন্তু মেচিনটো এক বছৰ পিছত ব্যৱহাৰৰ অযোগ্য হ'ব, সেই ব্যয় হ'ল নিমজ্জিত ব্যয় কাৰণ এবাৰ খৰছ কৰাৰ পিছত পুনৰাই ইয়াক পাব নোৱাৰি।

৫.৫.৬ প্রান্তিক আৰু ক্রমবর্দ্ধিত ব্যয়

কোনো এটা দ্রব্যৰ এটা অতিৰিক্ত গোট উৎপাদনৰ ফলত উৎপাদনৰ মুঠ ব্যয়ত যি বৃদ্ধি বা হ্রাস হয় তাকেই প্রান্তিক ব্যয় বুলি কোৱা হয়। যেতিয়া উৎপাদনৰ পৰিমাণ এক একক বৃদ্ধি কৰাৰ ফলত মুঠ ব্যয়ৰ যি পৰিৱর্তন হয় তাকেই অর্থনীতিত প্রান্তিক ব্যয় বোলে। অর্থাৎ এটা দ্রব্যৰ এক একক অধিক উৎপাদনত হোৱা ব্যয় হ'ল প্রান্তিক ব্যয়। সাধাৰণ অর্থত প্রত্যেকটো উৎপাদনৰ স্তৰত প্রান্তিক ব্যয়ে পৰৱর্তী গোটৰ উৎপাদনত প্রয়োজন হোৱা যিকোনো অতিৰিক্ত ব্যয়ক অন্তর্ভুক্ত কৰে। উদাহৰণস্বৰূপে, ১০০ টা চেলফোন উৎপাদনৰ মুঠ ব্যয় ৫০,০০০ টকা। যেতিয়া ব্যৱসায় প্রতিষ্ঠানে এটা অধিক চেলফোন উৎপাদন কৰে, অর্থাৎ ১০১ টা, মুঠ ব্যয় ৫৪,০০০ টকা হয়।

এইদৰে চেলফোন উৎপাদনৰ প্ৰান্তিক ব্যয় হ'ল ৪,০০০ টকা (৫৪,০০০-৫০,০০০)।

ক্ৰমবৰ্দ্ধিত ব্যয় প্ৰান্তিক ব্যয়ৰ ধাৰণাটোৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্কীয় কিন্তু আপেক্ষিকভাৱে হৈ এক বহুল গুণ সম্পন্ন ধাৰণা। ই উৎপাদন সম্প্ৰসাৰণ অথবা দ্ৰব্যৰ এটা নতুন প্ৰকাৰ ইত্যাদিৰ সৈতে যুক্ত হৈ থকা মুঠ অতিৰিক্ত ব্যয়ক বুজায়। ই হ'ল উৎপাদন কৌশল পৰিৱৰ্তনৰ ফলত হোৱা মুঠ ব্যয়ৰ পৰিৱৰ্তন অথবা উন্নতমানৰ যন্ত্ৰপাতিৰ ব্যৱহাৰ, এটা দ্ৰব্যৰ পৰিমাণ বৃদ্ধি, উন্নতমানৰ কৌশল ব্যৱহাৰ অথবা অতিৰিক্ত বিক্ৰীৰ মাধ্যম নিৰ্বাচনৰ বিতৰণ। উদাহৰণস্বৰূপে, যদি এটা কোম্পানীৰ শ্ৰমৰ সময় ৮ৰ পৰা ১০ ঘণ্টালৈ বৃদ্ধিৰ ফলত ইয়াৰ মুঠ ব্যয় ৫,৩০,০০০ টকাৰ পৰা ৫,৮০,০০০ টকালৈ বৃদ্ধি হয়। তেতিয়াহ'লে অতিৰিক্ত ২ ঘণ্টা সময়ৰ ক্ৰমবৰ্দ্ধিত ব্যয় হ'ল ৫০,০০০ টকা।

ক্ৰমবৰ্দ্ধিত ব্যয়ক পাৰ্থক্যবোধক/প্ৰভেদকাৰী ব্যয় বুলিও কোৱা হয়। ক্ৰমবৰ্দ্ধিত ব্যয় হ'ল দুটা বিকল্পৰ মাজত এটা হ্ৰস্বকালীন সিদ্ধান্ত গ্ৰহণৰ যুক্তি-যুক্ত/সংগত ব্যয়। তদুপৰি ক্ৰমবৰ্দ্ধিত ব্যয় সদায় সম্পূৰ্ণৰূপে পৰিৱৰ্তনশীল হয়। ই কেৱল পৰিৱৰ্তনশীল ব্যয়ক অন্তৰ্ভুক্ত কৰে, য'ত স্থিৰ ব্যয় সদায় স্থিৰ হৈ থাকে। উদাহৰণস্বৰূপে—

	মুঠ উৎপাদন	**অতিৰিক্ত উৎপাদন**
	১০,০০০ গোট	**১,০০০ গোট**
স্থিৰ ব্যয়	৪০,০০০ টকা	
পৰিৱৰ্তনশীল ব্যয়	৫০,০০০ টকা	৭,০০০ টকা
মুঠ ব্যয়	৯০,০০০ টকা	৭,০০০ টকা
প্ৰতি গোটৰ ব্যয়	৯ টকা $\left(=\frac{৯০,০০০}{১০,০০০}\right)$	৭ টকা $\left(=\frac{৭,০০০}{১,০০০}\right)$

অতিৰিক্ত ১০০০ গোট উৎপাদনৰ সৈতে স্থিৰ ব্যয়ৰ কোনো পৰিৱৰ্তন হোৱা নাই। তথাপিও পৰিৱৰ্তনশীল ৭,০০০ টকা বৃদ্ধি হৈছে। অতিৰিক্ত ১,০০০ গোট উৎপাদনৰ ক্ৰমবৰ্দ্ধিত ব্যয় হ'ল ৭,০০০ টকাৰ পৰিৱৰ্তনশীল ব্যয় অৰ্থাৎ প্ৰতিগোটত ৭ টকা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ উৎপাদন ব্যয় কি?

প্ৰশ্ন নং ২ঃ সুযোগ ব্যয় কি?

প্ৰশ্ন নং ৩ঃ প্ৰকাশ্য আৰু অন্তৰ্নিহিত ব্যয়ৰ সংজ্ঞা দিয়া।

প্ৰশ্ন নং ৪ঃ মুদ্ৰা ব্যয় কি?

প্ৰশ্ন নং ৫ঃ হিচাব আৰু আৰ্থিক ব্যয়ৰ সংজ্ঞা দিয়া।

৫.৬ হ্ৰস্বকালীন ব্যয়

হ্ৰস্বকাল হ'ল এনে সময় কাল যি সময়ছোৱাত সকলোবোৰ ব্যয় পৰিৱৰ্তন কৰিব নোৱাৰি। হ্ৰস্বকালত কিছুমান উপাদান স্থিৰ আৰু অন্য উপাদানবোৰ পৰিৱৰ্তনশীল হৈ থাকে। গতিকে, উৎপাদনৰ হ্ৰস্বকালীন ব্যয়ক দুটা অংশত বিভক্ত কৰিব পাৰি— (i) স্থিৰ ব্যয় আৰু (ii) পৰিৱৰ্তনশীল ব্যয়।

৫.৬.১ স্থিৰ ব্যয় আৰু পৰিৱৰ্তনশীল ব্যয়

মুঠ স্থিৰ ব্যয় (TFC) ঃ এটা ব্যৱসায় প্ৰতিষ্ঠান স্থিৰ উপাদানবোৰ (উদাহৰণস্বৰূপে— যন্ত্ৰ, ঘৰ নিৰ্মাণ ইত্যাদি) নিয়োগ কৰিবলৈ যি ব্যয় বহন কৰে তাকেই স্থিৰ ব্যয় (বা মুঠ স্থিৰ ব্যয়) বুলি কোৱা হয়। এটা ব্যৱসায় প্ৰতিষ্ঠানৰ উৎপাদনৰ পৰিমাণ যিমানেই হওঁক হ্ৰস্বকালত প্ৰতিষ্ঠানৰ ব্যয় স্থিৰ হৈয়ে থাকে।


তলৰ তালিকাখনে উৎপাদনৰ পৰিমাণ পৰিৱৰ্তনৰ ফলত স্থিৰ ব্যয়ৰ কোনো পৰিৱৰ্তন সাধন নোহোৱাটো দেখুৱাইছে। যেতিয়া উৎপাদনৰ পৰিমাণ শূন্য হয় তেতিয়া স্থিৰ ব্যয় হ'ল ২০ টকা।

তালিকা ১ ঃ স্থিৰ ব্যয়

উৎপাদনৰ পৰিমাণ (Q)	স্থিৰ ব্যয় (টকাত)
০	২০
১	২০
২	২০
৩	২০
৪	২০
৫	২০

যেতিয়া উৎপাদনৰ পৰিমাণ ২ বা ৩ বা ৫ গোটলৈ বৃদ্ধি হৈছে তেতিয়াও স্থিৰ ব্যয় সমান হৈ আছে অর্থাৎ ২০ টকা।

চিত্ৰত OX অক্ষত উৎপাদনৰ পৰিমাণ আৰু OY অক্ষত স্থিৰ ব্যয় পৰিমাপ কৰা হৈছে। TFC হ'ল স্থিৰ ব্যয় ৰেখা যিটো OX অক্ষৰ সমান্তৰাল হয়। TFC ৰেখাই OY অক্ষত P বিন্দুত স্পৰ্শ কৰিছে। ই দেখুৱাইছে যে যদিও উৎপাদনৰ পৰিমাণ যেতিয়া শূন্যৰ সমান তেতিয়াও স্থিৰ ব্যয় ২০ টকা হৈয়ে আছে।



চিত্র (i) ঃ স্থিৰ ব্যয় ৰেখা


মুঠ পৰিৱৰ্তনশীল ব্যয় (TVC) ঃ এটা ব্যৱসায় প্রতিষ্ঠানে পৰিৱৰ্তনশীল উপাদানবোৰ নিয়োগ কৰিবলৈ যি ব্যয় (উদাহৰণস্বৰূপে কেচা সামগ্রী, অস্থায়ী শ্রমিকৰ মজুৰি, তেল বা শক্তি ইত্যাদি) বহন কৰে তাকেই পৰিৱৰ্তনশীল ব্যয় (অথবা মুঠ পৰিৱৰ্তনশীল ব্যয়) বুলি কোৱা হয়। পৰিৱৰ্তনশীল ব্যয় হ'ল সেই ব্যয় যি ব্যয় উৎপাদনৰ পৰিমাণ পৰিৱৰ্তনৰ সৈতে পৰিৱৰ্তন হয়। যদি উৎপাদন হ্রাস হয়, এইবোৰ ব্যয়ো হ্রাস হয় আৰু যদি উৎপাদন বৃদ্ধি হয়, এইবোৰ ব্যয়ো বৃদ্ধি হয়।

তলৰ তালিকাখনে এইটো প্রকাশ কৰিছে যে উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে পৰিৱৰ্তনশীল ব্যয়ও বৃদ্ধি হৈছে। যেতিয়া উৎপাদনৰ পৰিমাণ শূন্য (০) তেতিয়া পৰিৱৰ্তনশীল ব্যয়ও শূন্য (০) হয়। যেতিয়া উৎপাদন এক একক হয় তেতিয়া পৰিৱৰ্তনশীল ব্যয় হ'ল ১০ টকা, যেতিয়া উৎপাদন ২ টা গোটলৈ বৃদ্ধি হৈছে, পৰিৱৰ্তনশীল ব্যয় ১৮ টকালৈ বৃদ্ধি হৈছে আৰু এই অনুক্রমে।

তালিকা ২ ঃ পৰিৱৰ্তনশীল ব্যয়

উৎপাদনৰ	পৰিৱৰ্তনশীল ব্যয় (টকাত)
০	০
১	১০
২	১৮
৩	২৪
৪	২৯
৫	৩৩

চিত্র (ii) ত TVC হ'ল মুঠ পৰিৱর্তনশীল ব্যয় ৰেখা। যিডাল ওপৰলৈ উৰ্ধ্বগামী হৈছে, যিয়ে এইটো বুজাইছে যে উৎপাদন বৃদ্ধিৰ লগে লগে পৰিৱর্তনশীল ব্যয়ও বৃদ্ধি হৈছে। TVS ৰেখাডাল সদায় উৎপত্তি স্থলৰ পৰা আৰম্ভ হয়, যিটোৱে দেখুৱায় যে TVS শূন্য (০) হয় যেতিয়া উৎপাদন শূন্য (০) হয়।



চিত্র (ii) ঃ পৰিৱর্তনশীল ব্যয় ৰেখা

৫.৬.২ মুঠ ব্যয়

কোনো এট নির্দিষ্ট পৰিমাণ উৎপাদন কৰিবলৈ এটা ব্যৱসায় প্রতিষ্ঠানে বহন কৰা মুঠ পৰিমাণৰ ব্যয়ক মুঠ ব্যয় বুলি কোৱা হয়। এইদৰে মুঠ স্থিৰ ব্যয় (TFC) আৰু মুঠ পৰিৱর্তনশীল (TVC)ক যোগ কৰিলে আমি মুঠ ব্যয় পাওঁ।

$$TC = TFC + TVC$$


উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ ব্যৱসায় প্রতিষ্ঠানে অধিক পৰিমাণৰ পৰিৱর্তনশীল উপাদান নিয়োগ কৰিব লাগে। ইয়াৰ ফলস্বৰূপে মুঠ পৰিৱর্তনশীল ব্যয় আৰু মুঠ ব্যয় বৃদ্ধি হয়।

মুঠ ব্যয়, মুঠ পৰিৱর্তনশীল ব্যয় আৰু মুঠ স্থিৰ ব্যয়ৰ মাজত সম্পর্ক

হ্রস্বকালত মুঠ ব্যয় মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিৱর্তনশীল ব্যয়ৰ যোগফলৰ সমান হয়। এইটো তলৰ তালিকাত দেখুওৱা হৈছে।

তালিকা ৩ ঃ মুঠ ব্যয়			
উৎপাদন (গোটত)	TFC (টকাত)	TVC (টকাত)	TC (টকাত)
০	২০	০	২০
১	২০	১০	৩০
২	২০	১৮	৩৮
৩	২০	২৪	৪৪
৪	২০	২৯	৪৯
৫	২০	৩৩	৫৩
৬	২০	৩৯	৫৯
৭	২০	৪৭	৬৭
৮	২০	৬০	৮০
৯	২০	৭৫	৯৫
১০	২০	৯৫	১১৫

ওপৰৰ তালিকাত মুঠ স্থিৰ ব্যয় (TFC) আৰু মুঠ পৰিৱৰ্তনশীল ব্যয় (TVC) যোগ কৰি আমি মুঠ ব্যয় পাওঁ। উৎপাদন বৃদ্ধিৰ সৈতে মুঠ ব্যয়ো বৃদ্ধি হৈছে। শূন্য পৰিমাণৰ উৎপাদন স্তৰত মুঠ ব্যয় মুঠ স্থিৰ ব্যয় সমান হয় যিটো ২০ টকা। যেতিয়া উৎপাদন ২টা গোটলৈ, ৩টা গোটলৈ বৃদ্ধি হৈছে তেতিয়া মুঠ ব্যয়, যথাক্রমে ৩৮ টকা আৰু ৪৪ টকালৈ বৃদ্ধি হৈছে।



চিত্র (iii) ঃ মুঠ স্থিৰ ব্যয়, মুঠ পৰিৱৰ্তনশীল ব্যয় আৰু মুঠ ব্যয় ৰেখা

OX-অক্ষ ৰেখাত উৎপাদনৰ গোটসমূহ পৰিমাপ কৰা হৈছে আৰু OY-অক্ষত ব্যয়সমূহ পৰিমাপ কৰা হৈছে। TFC হ'ল ৰেখাডালে স্থিৰ ব্যয়ক প্রতিনিধিত্ব কৰিছে, TVC হ'ল পৰিৱর্তনশীল ব্যয় আৰু TC হ'ল মুঠ ব্যয় ৰেখা যিডাল TFC আৰু TVC ৰেখাৰ যোগফলৰ সমষ্টি। TC ৰেখাডাল TFC ৰেখাৰ পৰা আৰম্ভণি হৈছে যাৰ মূল্য হ'ল ২০ টকা। ই শূন্য পৰিমাণৰ উৎপাদনত TC=TFC প্রতিনিধিত্ব কৰিছে। মুঠ ব্যয় আৰু পৰিৱর্তনশীল ব্যয়ৰ মাজত পার্থক্য একে সমান আৰু ই স্থিৰ ব্যয়ৰ সমান হয়। গতিকে, TC আৰু TVC ৰেখা দুডাল সদায় সমান্তৰাল হয়।

স্থিৰ ব্যয় আৰু পৰিৱর্তনশীল ব্যয়ৰ মাজত পার্থক্যসমূহ—

(i) স্থিৰ ব্যয়ে সেইবোৰ ব্যয়ক বুজায় যিবোৰ হ্রস্বকালত পৰিৱর্তন হ'ব নোৱাৰে। কিন্তু পৰিৱর্তনশীল ব্যয়ে সেইবোৰ ব্যয়ক বুজায় যিবোৰ হ্রস্বকালত পৰিৱর্তন কৰিব পাৰি।

(ii) উৎপাদনৰ পৰিমাণৰ সৈতে স্থিৰ ব্যয়ৰ পৰিৱর্তন নহয়। আনহাতে, পৰিৱর্তনশীল ব্যয় উৎপাদনৰ পৰিমাণৰ সৈতে পৰিৱর্তন হয়।

(iii) ভূমি, গৃহ, যন্ত্রপাতি আদিৰ ব্যয়বোৰ হ'ল স্থিৰ ব্যয়। কেঁচা-সামগ্রী, শ্রম ইত্যাদিৰ ব্যয়বোৰ হ'ল পৰিৱর্তনশীল ব্যয়।

৫.৬.৩ গড় ব্যয়সমূহ

এখন ব্যৱসায় প্রতিষ্ঠানে উৎপানৰ প্রতি গোটত খৰছ কৰা মুঠ ব্যয়ক গড় ব্যয় বুলি কোৱা হয়। ই হ'ল কোনো দ্রব্যৰ এটা গোট উৎপাদনৰ মুঠ ব্যয়। ইয়াক আমি তলত দিয়া ধৰণেৰে নির্ণয় কৰিব পাৰি —

$$AC = \frac{TC}{Q}$$

য'ত, AC = গড় ব্যয়

TC = মুঠ ব্যয়

Q = উৎপাদনৰ পৰিমাণ

ধৰা হ'ল কোনো দ্রব্যৰ ৫ গোটৰ মুঠ ব্যয় ১০০ টকা।

$$\therefore \quad AC \text{ (গড় ব্যয়)} = \frac{100}{5} = 20 \text{ টকা}$$

গড় ব্যয় দুই প্রকাৰৰ ব্যয়েৰে গঠিত হৈছে।

(i) গড় স্থিৰ ব্যয়

(ii) গড় পৰিৱর্তনশীল ব্যয়

গড় স্থিৰ ব্যয় (AFC) ঃ উৎপাদনৰ প্রতি গোটৰ মুঠ স্থিৰ ব্যয়ক AFC আখ্যা দিয়া হয়। ই হ'ল TFC আৰু উৎপাদন (Q)ৰ মাজত অনুপাত। এইদৰে,


$$AFC = \frac{TFC}{Q}$$

যেতিয়া উৎপাদন এক (১) গোট তেতিয়া গড় স্থিৰ ব্যয় হ'ল ২০ টকা। যেতিয়া উৎপাদন ২, ৩ আৰু ৪ গোটলৈ বৃদ্ধি হৈছে, AFC ক্ৰমান্বয়ে ১০, ৬,৬৭ আৰু ৫ টকালৈ কমি আহিছে। গতিকে উৎপাদন বৃদ্ধিৰ সৈতে AFC হ্ৰাস হৈ থাকে।

তালিকা ৪ ঃ গড় স্থিৰ ব্যয়

উৎপাদন (গোটত)	মুঠ স্থিৰ ব্যয় TFC (টকাত)	গড় স্থিৰ ব্যয় AFC (টকাত)
১	২০	২০
২	২০	১০
৩	২০	৬.৬৭
৪	২০	৫
৫	২০	৪
৬	২০	৩.৩৩
৭	২০	২.৮৬

চিত্ৰত AFC হ'ল গড় স্থিৰ ব্যয় ৰেখা। এই বাওঁফালৰ পৰা সোঁফাললৈ তললৈ ঢাল খোৱা হয়। এই সুস্পষ্ট যে উৎপাদন বৃদ্ধিৰ লগে লগে গড় স্থিৰ ব্যয় ক্ৰমাগতভাৱে হ্ৰাস হৈ গৈ থাকে।



চিত্ৰ (iv) ঃ গড় স্থিৰ ব্যয় ৰেখা

গড় পৰিৱৰ্তনশীল ব্যয় (AVC) ঃ উৎপাদনৰ প্ৰতি গোটত মুঠ পৰিৱৰ্তনশীল ব্যয়ক গড় পৰিৱৰ্তনশীল ব্যয় বুলি কোৱা হয়। ই হ'ল কোনো এটা দ্ৰব্যৰ এটা গোট উৎপাদন কৰিবলৈ কৰা পৰিৱৰ্তনশীল ব্যয়। ইয়াক তলত দিয়া ধৰণেৰে আমি নিৰ্ণয় কৰিব পাৰি—


$$AVC = \frac{TVC}{Q}$$

তালিকা ৫ ঃ গড় পৰিৱৰ্তনশীল ব্যয়

উৎপাদন (গোটত)	মুঠ পৰিৱৰ্তনশীল ব্যয় TVC (টকাত)	গড় পৰিৱৰ্তনশীল ব্যয় AVC (টকাত)
১	১০	১০
২	১৮	৯
৩	২৪	৮
৪	২৯	৭.২৫
৫	৩৩	৬.৬
৬	৩৯	৬.৫
৭	৪৭	৬.৭

ওপৰৰ তালিকাত গড় পৰিৱৰ্তনশীল ব্যয় উৎপাদনৰ ৬টা গোটলৈ একেৰাহে হ্ৰাস হৈ আছে। কিন্তু ৭তম গোটৰ পৰা হৈ বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে। (এইটো এই কাৰণেই) ইয়াৰ কাৰণ হ'ল উৎপাদনৰ আৰম্ভণি পৰ্যায়ত ক্ৰমবৰ্দ্ধমান প্ৰতিদান বিধি কাৰ্যকৰী হয়, যাৰ ফলত ব্যয় হ্ৰাস হয়। কিন্তু এটা বিন্দুৰ পিছত ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি কাৰ্যকৰী হয়। ফলত পৰিৱৰ্তনশীল ব্যয় বৃদ্ধি হ'বলৈ আৰম্ভ হয়।

চিত্ৰ (v) ত AVC হ'ল গড় পৰিৱৰ্তনশীল ব্যয় ৰেখা। ই 'U' আকৃতিৰ ৰেখা হয়। এইটো এই কাৰণেই যে আৰম্ভণিতে গড় পৰিৱৰ্তনশীল ব্যয় হ্ৰাস হয় আৰু কোনো এক নিৰ্দিষ্ট পৰিমাণ উৎপাদনৰ পিছত গড় পৰিৱৰ্তনশীল ব্যয় বৃদ্ধি হয়।



চিত্ৰ (v) ঃ গড় পৰিৱৰ্তনশীল ব্যয় ৰেখা

গড়, ব্যয়, গড় পৰিৱৰ্তনশীল ব্যয় আৰু গড় স্থিৰ ব্যয়ৰ মাজত সম্পৰ্ক

গড় স্থিৰ ব্যয় আৰু গড় পৰিৱৰ্তনশীল ব্যয়ৰ যোগফলৰ সমষ্টিয়েই হ'ল গড় ব্যয়।


AC = AFC + AVC

তালিকা ৬ ঃ গড় পৰিৱৰ্তনশীল ব্যয়

উৎপাদন (গোটত)	গড় স্থিৰ ব্যয় (AFC)	গড় পৰিৰ্তনশীল ব্যয় (AVC)	গড় ব্যয় Ac= AFC + AVC
১	২০	১০	৩০
২	১০	৯	১৯
৩	৬.৬৭	৮	১৪.৬৭
৪	৫	৭.২৫	১২.২৫
৫	৪	৬.৬	১০.৬
৬	৩.৩৩	৬.৫	৯.৮৩
৭	২.৮৬	৬.৭	৯.৫৭
৮	২.৫	৭.৫	১০

ওপৰৰ তালিকাৰ দ্বিতীয় স্তম্ভ (AFC) আৰু তৃতীয় স্তম্ভ (AVC)ৰ মূল্যবোৰ যোগ কৰি আমি চতুর্থ স্তম্ভত (AC) পাওঁ। সপ্তম গোটলৈ AC ক্ৰমান্বয়ে হ্ৰাস হৈছে আৰু ইয়াৰ পিছত বৃদ্ধি হৈছে। সেয়েহে আৰম্ভণীতে SAC হ্ৰাস হয়। এক নির্দিষ্ট পৰিমাণ উৎপাদন হোৱাৰ পিছত AVC বৃদ্ধি হ'বলৈ আৰম্ভ কৰে আৰু AFC ইয়াৰ বিপৰীত দিশত গতি কৰিছে। আৰম্ভণীতে AVC বৃদ্ধিৰ তুলনাত AFC অধিক হ্ৰাস হয় আৰু সেয়েহে SAC তেতিয়ালৈ হ্ৰাস হৈ থাকে। কিন্তু কোনো এক নির্দিষ্ট পৰিমাণৰ উৎপাদনৰ পিছত AFC ৰ হ্ৰাসৰ পৰিমাণক AVC ৰ বৃদ্ধিৰ পৰিমাণে অতিক্ৰম কৰে। ইয়াৰ পিছৰ পৰা আগলৈ SAC ক্ৰমে বৃদ্ধি হৈ থাকে।

চিত্ৰত AC হ'ল গড় ব্যয় ৰেখা। ই 'U' আকৃতিৰ হয়। যেতিয়া উৎপাদন বৃদ্ধি হয়, গড় ব্যয় আৰম্ভণীতে হ্ৰাস হয় আৰু এটা বিন্দুৰ পিছত গড় ব্যয় বৃদ্ধি হ'বলৈ আৰম্ভ কৰে।



চিত্র (vi) ঃ গড় ব্যয় ৰেখা

AC ৰেখাডাল 'U' আকৃতিৰ হয় কিয় ?

পৰিৱৰ্তনশীল অনুপাত বিধি কার্যকৰী হোৱা বাবে AC ৰেখাডাল 'U' আকৃতিৰ হয়। উৎপাদনৰ আৰম্ভণী পর্যায়ত ক্রমবর্দ্ধমান প্রতিদান বিধি কার্যকৰী হয় আৰু সেইবাবে গড় উৎপাদিকা বৃদ্ধি হ'ল আৰু AC হ্রাস হয়। তেতিয়া এক নির্দিষ্ট পৰিমাণ উৎপাদনৰ পিছত গড় উৎপাদিকা হ্রাস হ'বলৈ আৰম্ভ কৰে যিয়ে ক্রমহ্রাসমান প্রতিদান বিধি কার্যকৰী হোৱা প্রকাশ কৰিছে আৰু AC ওপৰলৈ গতি কৰিবলৈ আৰম্ভ কৰে। এইদৰে উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে AC প্রথমে হ্রাস হয়, তাৰ পিছত নিম্নতম স্তৰত উপনীত হয় আৰু তাৰ পিছত বৃদ্ধি হয়। এইবাবে AC ৰেখাডাল 'U' আকৃতিৰ হয়। AC ৰেখাৰ নিম্নতম বিন্দুটোৱে উৎপাদনৰ প্রতি গোটৰ ব্যয় নিম্নতম হোৱাটো সূচায়।

৫.৬.৪ প্রান্তিক ব্যয়

ব্যয়ৰ আন এটা গুৰুত্বপূর্ণ ধাৰণা হ'ল প্রান্তিক ব্যয় (mc) উৎপাদনৰ প্রতিগোটৰ পৰিৱৰ্তনৰ ফলত মুঠ ব্যয়ত হোৱা পৰিৱৰ্তনকে প্রান্তিক ব্যয় বুলি কোৱা হয়। এইদৰে,

$$MC = \frac{\text{মুঠ ব্যয়ৰ পৰিৱৰ্তন}}{\text{উৎপাদনৰ পৰিৱৰ্তন}}$$

$$= \frac{\Delta TC}{\Delta Q}$$


য'ত, 'Δ' এ চলকৰ পৰিৱৰ্তনক নিবেদন/প্রতিনিধিত্ব কৰিছে।

তালিকা ৭ ঃ প্রান্তিক ব্যয়

উৎপাদন	মুঠ ব্যয় (টকাত)	প্রান্তিক ব্যয় (টকাত)
০	২০	১০
১	৩০	১০
২	৩৮	৮
৩	৪৪	৬
৪	৪৯	৫
৫	৫৩	৪
৬	৫৯	৬
৭	৬৭	৮
৮	৮০	১৩

তালিকা-৭ দেখুৱাইছে যে এক গোট উৎপাদনত ব্যৱসায় প্রতিষ্ঠানৰ মুঠ ব্যয় হ'ল ৩০ টকা। গতিকে প্রথম গোটৰ প্রান্তিক ব্যয় হ'ল ১০ টকা ($\Delta TC/\Delta Q = \frac{১০}{১} = ১০$)। দ্বিতীয় গোটৰ প্রান্তিক ব্যয় হ'ল ৮ (বা $\frac{৮}{১} = ৮$) টকা আৰু এইদৰেই এই তালিকাৰ স্পষ্ট হৈছে যে উৎপাদন বৃদ্ধিৰ লগে লগে প্রান্তিক ব্যয় প্রথমতে হ্রাস হয় আৰু তাৰ পিছত বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে।

চিত্র (vii) ত MC হ'ল প্রান্তিক ব্যয় ৰেখা। ই 'U' আকৃতিৰ হয়।



চিত্র (vii) ঃ প্রান্তিক ব্যয় ৰেখা

MC ৰেখা 'U' আকৃৰি হয়, কিয় ?

এখন ব্যৱসায় প্রতিষ্ঠানে এটা অতিৰিক্ত গোট উৎপাদন কৰোঁতে যিখিনি অতিৰিক্ত ব্যয় বহন কৰে তাকেই প্রান্তিক ব্যয় বোলে। যেতিয়া উৎপাদন বৃদ্ধি হয় তেতিয়া মুঠ ব্যয় ক্রমহ্রাসমান হাৰত বৃদ্ধি হয়। ইয়াৰ কাৰণ হ'ল ক্রমবর্দ্ধমান প্রতিদান বিধি। এটা ব্যৱসায় প্রতিষ্ঠানে বহুতো উৎপাদনৰ মিতব্যয়িতা উপভোগ কৰে, সেয়েহে পূর্বৰ গোটসমূহৰ তুলনাত প্রতিটো অতিৰিক্ত গোটৰ উৎপাদন কম হয়। এইদৰে MC ৰেখা তললৈ নিম্নগামী হয়।

এটা বিন্দুৰ পিছত মুঠ ব্যয় ক্রমবর্দ্ধমান হাৰত বৃদ্ধি হয়। ইয়াৰ কাৰণ হ'ল ক্রমহ্রাসমান প্রতিদান বিধি। এইটো স্তৰত ব্যৱসায় প্রতিষ্ঠানে নানা ধৰণৰ অমিতব্যয়িতাৰ সন্মুখীন হয়। গতিকে প্রান্তিক ব্যয় বৃদ্ধি হয়। সেয়েহে MC ৰেখাডাল 'U' আকৃতিৰ বুলি ধৰি লোৱা হয়।

গড় আৰু প্রান্তিক ব্যয়ৰ মাজত সম্পর্ক


তালিকা ৮ ঃ গড় আৰু প্ৰান্তিক ব্যয়			
উৎপাদন	মুঠ ব্যয় (টকাত)	গড় ব্যয়	প্ৰান্তিক ব্যয় (টকাত)
০	১০		—
১	২০	২০	১০
২	২৮	১৪	৮
৩	৩৪	১১.৩	৬
৪	৩৮	০.৫	৪
৫	৪২	৮.৪	৪
৬	৪৮	৮	৬
৭	৫৬	৮	৮
৮	৭২	৯	১৬

ওপৰৰ তালিকাত উৎপাদন পৰিমাণ বৃদ্ধিৰ সৈতে আৰম্ভণিতে গড় ব্যয় আৰু প্ৰান্তিক ব্যয় দুয়োটা হ্ৰাস হয় কিন্তু প্ৰান্তিক ব্যয় হ্ৰাসৰ হাৰ গড় ব্যয়তকৈ অধিক হয়। যেতিয়া উৎপাদনৰ পৰিমাণ ৭ গোট তেতিয়া প্ৰান্তিক ব্যয় আৰু গড় সমান হয়, অৰ্থাৎ ৮ টকা। উৎপাদনৰ এই পৰিমাণৰ পিছত গড় বৃদ্ধি হয় আৰু প্ৰান্তিক ব্যয়ো বৃদ্ধি হয়। কিন্তু প্ৰান্তিক ব্যয় বৃদ্ধিৰ হাৰ গড় ব্যয় বৃদ্ধিৰ হাৰতকৈ অধিক হয়।

গড় ব্যয় (AC) ৰেখা আৰু প্ৰান্তিক ব্যয় (MC) ৰেখাৰ সহায়ত আমি এই দুটাৰ মাজত সম্পৰ্ক ব্যাখ্যা কৰিব পাৰি।

MC ৰেখাই AC ৰেখাক ইয়াৰ নিম্নতম বিন্দুত ছেদ কৰে। নিম্নতম বিন্দুৰ বাওঁফালে MC ACতকৈ কম হয় আৰু নিম্নতম বিন্দুৰ সোঁফালে MC ACতকৈ অধিক হয়। AC ৰেখাৰ নিম্নতম বিন্দুত MC = AC হয়।

চিত্ৰত উৎপাদনৰ Q গোটত AC ৰেখাই ইয়াৰ নিম্নতম অৱস্থাত উপনীত হৈছে। Q ৰ বাওঁফালে AC হ্ৰাস হৈ আছে আৰু MC, AC তকৈ কম হয়। Q ৰ সোঁফালে AC বৃদ্ধি হৈ আছে আৰু MC AC তকৈ অধিক হয়। এতেকে, MC ৰেখাই AC ৰেখাক P বিন্দুত ছেদ কৰিছে যিটো AC ৰেখাৰ নূন্যতম বিন্দু হয়।



চিত্র (viii) ঃ AC আৰু MC ৰেখা

গড় ব্যয় আৰু প্ৰান্তিক ব্যয়ৰ মাজত সম্পৰ্ক চাৰিটা প্ৰধান ৰূপত প্ৰকাশ কৰিব পাৰি। বিৱৰণসমূহ তলত দিয়া হৈছে—

১) যেতিয়া গড় ব্যয় ৰেখাৰ ডাল নিম্নগামী হয় তেতিয়া প্ৰান্তিক ব্যয় ৰেখা গড়-ব্যয় ৰেখাৰ তলত থাকে।


২) যেতিয়া গড়-ব্যয় ৰেখা উৰ্ধগামী হয় তেতিয়া প্ৰান্তিক ব্যয় ৰেখা গড় ব্যয় ৰেখাৰ ওপৰত থাকে।

৩) যেতিয়া গড় ব্যয় ৰেখা ইয়াৰ নিম্নতম বিন্দুত উপনীত হয় তেতিয়া প্ৰান্তিক ব্যয় গড় ব্যয়ৰ সমান হয়।

৪) উৎপাদনৰ প্ৰথম গোটৰ গড় ব্যয় আৰু প্ৰান্তিক ব্যয়ৰ মাজত কোনো পাৰ্থক্য নাথাকে।

৫.৬.৫ প্ৰান্তিক, গড় আৰু গড় পৰিৱৰ্তনশীল ব্যয়

আৰম্ভণিতে উৎপাদন বৃদ্ধিৰ লগে লগে গড় পৰিৱৰ্তনশীল ব্যয় (AVC) আৰু গড় ব্যয় (AC) হ্ৰাস হয় আৰু তাৰ পিছত বৃদ্ধি হয়। উৎপাদন বৃদ্ধিৰ লগে লগে AC ৰেখা আৰু AVC ৰেখাৰ মাজৰ ব্যৱধান ক্ৰমান্বয়ে কমি আহে। AFC ৰ মূল্যৰ সমান লম্বভাৱে ব্যৱধানৰ সৈতে AC ৰেখাডাল AVC ৰেখাৰ ওপৰত থাকে। AC ৰেখাৰ নিম্নতম বিন্দুটো AVC ৰেখাৰ নিম্নতম বিন্দুটোৰ সোঁহাত থাকে।



চিত্র (ix) ঃ AC, MC আৰু AVC ৰেখাবোৰ

প্ৰান্তিক ব্যয় ৰেখাডাল AC আৰু AVC ৰেখাবোৰৰ দৰেই আৰম্ভণিতে হ্ৰাস হয় আৰু তাৰ পিছত বৃদ্ধি হয়। ই AVC আৰু AC ৰেখাবোৰক সিহঁতৰ নিম্নতম বিন্দু যথাক্ৰমে P আৰু S ত ছেদ কৰে। Q_2 হ'ল উৎপাদনৰ পৰিমাণ য'ত ব্যৱসায় প্ৰতিষ্ঠানৰ AC নিম্নতম হয়।

টোকা ঃ যিহেতুকে AFC কেতিয়াও শূন্য বা ঋণাত্মক নহয় সেইবাহে AC আৰু AVC ৰেখাই কেতিয়াও এটাই আনটোক ছেদ নকৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ খালী ঠাইবোৰ পূৰণ কৰক ঃ

(ক) হ্ৰস্বকালীন ব্যয়ক ..... আৰু পৰিৱৰ্তনশীল ব্যয় এই দুই ভাগত বিভক্ত কৰা হয়।

(খ) AC = AFC + ...।

প্ৰশ্ন নং ৭ঃ TFC ৰেখা কি আকৃতিৰ হয়?

প্ৰশ্ন নং ৮ঃ যদি TC = ৫০০ টকা আৰু Q (উৎপাদন) ১০০ গোট হয়, তেতিয়াহ'লে AC ৰ পৰিমাণ কিমান?

প্ৰশ্ন নং ৯ঃ কোনটো বিন্দুত MC ৰেখাই AC ৰেখাক ছেদ কৰে?

প্ৰশ্ন নং ১০ঃ MC ৰেখা কি আকৃতিৰ হয়?

৫.৭ দীর্ঘকালীন ব্যয়

দীর্ঘকাল হ'ল এনে এক সময় কাল যি সময়ছোৱাত ব্যৱসায় প্রতিষ্ঠানে ইয়াৰ সকলোবোৰ উপাদানেই পৰিৱর্তন কৰিব পাৰে। হ্রস্বকালত উৎপাদন বৃদ্ধি কৰিবলৈ কিছুমান উপাদান স্থিৰ হয় আৰু আনবোৰ উপাদানক পৰিৱর্তন কৰা হয়। দীর্ঘকালত উপাদানসমূহৰ এটাও স্থিৰ নহয় আৰু উৎপাদন সম্প্রসাৰণৰ বাবে সকলোবোৰক পৰিৱর্তন কবি পাৰি। দীর্ঘকালত ব্যৱসায় প্রতিষ্ঠানৰ কোনো স্থিৰ ব্যয় নাথাকে। এতেকে, দীর্ঘকালত কোনো TFC বা AFC ৰেখা নাথাকে। যিহেতুকে মুঠ ব্যয় আৰু মুঠ পৰিৱর্তনশীল ব্যয়ৰ মাজত কোনো পার্থক্য নাই, সেইবাবে আমি মুঠ ব্যয় ধাৰণাটো সৰলভাৱে ব্যৱহাৰ কৰো। ইয়াত গড় ব্যয় আৰু গড় পৰিৱর্তনসীল ব্যয়ৰ মাজত কোনো পার্থক্য নাই গতিকে ইয়াক দীর্ঘকালীন গড় ব্যয় বুলি কোৱা হয় আৰু ইয়াক LAC ৰ দ্বাৰা বুজোৱা হয় য'ত 'L' দীর্ঘকালক প্রতিনিধিত্ব কৰিছে। প্রান্তিক ব্যয়ৰ ধাৰণাটোও একে হয় আৰু LMC ৰ দ্বাৰা প্রতিনিধিত্ব কৰা হয়। এইদৰে, দীর্ঘকালত আমাৰ তিনিটা ধাৰণা আছে ঃ

(i) মুঠ ব্যয়
(ii) দীর্ঘকালীন গড় ব্যয় (LAC) আৰু
(iii) দীর্ঘকালীন প্রান্তিক ব্যয় (LMC)


৫.৭.১ দীর্ঘকালীন গড় ব্যয় (LAC)

হ্রস্বকালীন গড় ব্যয় ৰেখাৰ দৰে দীর্ঘকালীন গড় ব্যয় ৰেখাডালো 'U' আকৃতিৰ হয়। 'U' আকৃতিৰ গড় ব্যয় ৰেখাক ব্যাখ্যা কৰা উপাদান হ'ল মাত্রাৰ মিতব্যয়িতা আৰু মাত্রাৰ অমিতব্যয়িতাৰ সংযোজন। দীর্ঘকালত এটা ব্যৱসায় প্রতিষ্ঠানৰ উৎপাদনৰ মাত্রাৰ সম্প্রসাৰণে উৎপাদন ব্যয়ৰ ৰূপত কিছুমান সুবিধা সৃষ্টি কৰে, এটা পর্যায়ৰ পিছত ব্যৱসায় প্রতিষ্ঠানৰ অধিক সম্প্রসাৰণে কিছুমান অসুবিধাৰ সৃষ্টি কৰে আৰু ব্যয় বৃদ্ধি হ'বলৈ আৰম্ভ কৰে।

'U' আকৃতিৰ LAC ৰেখাডাল মাত্রাৰ প্রতিদান বিধিৰ সহায়ত অর্থাৎ মাত্রাৰ ক্রমবর্দ্ধমান প্রতিদান (IRS), মাত্রাৰ স্থিৰ প্রতিদান আৰু তাৰ পিছত মাত্রাৰ ক্রমহ্রাসমান প্রতিদান (DRS) ৰ দ্বাৰা ব্যাখ্যা কৰিব পাৰি। ইয়াৰ তললৈ ঢাল খোৱা অংশ IRS ৰ উপযোগী হয় আৰু ওপৰলৈ উঠি যোৱা অংশ DRS ৰ উপযোগী হয়। নিম্নতম বিন্দুত CRS দেখিবলৈ পোৱা যায়। এতেকে LAC ৰ মাজভাগত সমতল অংশ আছে। এটা ব্যৱসায় প্রতিষ্ঠানৰ দীর্ঘকালীন গড় ব্যয় (LAC) ৰেখাডালে অতিকৈ কম বা তাকৰ গড় মুঠ ব্যয়ক দেখুৱায় যিখিনি ব্যয়ত এটা ব্যৱসায় প্রতিষ্ঠানে দীর্ঘকালত যিকোনো প্রদত্ত উৎপাদনৰ পৰিমাণ উৎপাদন কৰিব পাৰে। দীর্ঘকালত এটা ব্যৱসায় প্রতিষ্ঠানে সর্বনিম্ন সম্ভাব্য গড় ব্যয়ত উপাদানৰ পৰিমাণ ব্যৱহাৰ কৰিব। সেইবাবে LAC ৰেখাডাল হ্রস্বকালীন গড় মুঠ ব্যয় ৰেখাবোৰৰ আচ্ছাদন হয়। সেইবাবে দীর্ঘকালীন গড় ব্যয়


ৰেখাডাল লেফাফা ৰেখা বুলি জনা যায়।

তলৰ চিত্ৰত SC_1, SC_2, SC_3, SC_4 আৰু SC_5 হ'ল উৎপাদনৰ পাঁচটা বিভিন্ন মাত্ৰা। যেতিয়া ব্যৱসায় প্ৰতিষ্ঠানে SC_1 ৰ পৰা SC_2 লৈ আৰু SC_3 ৰ পৰা SC_4 লৈ আৰু এনেদৰেই গতি কৰে তেতিয়া এইটোৱে ব্যৱসায় প্ৰতিষ্ঠানৰ আকাৰ সম্প্ৰসাৰণকে সূচাই। SC_3 ৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা উৎপাদনৰ মাত্ৰাটো হ'ল সবাতোকৈ বাঞ্ছনীয়। কাৰণ SC_3 ৰ নিম্নতম বিন্দুত গড় ব্যয় সৰ্বনিম্ন হয়। দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠানে এই মাত্ৰাক অগ্ৰাধিকাৰ দিব। যেতিয়া এটা ব্যৱসায় প্ৰতিষ্ঠানে উৎপাদনৰ এটা মাত্ৰাৰ পৰা আন এটা মাত্ৰালৈ গতি কৰে, দীৰ্ঘকালীন গড় ব্যয় (LAC) ৰেখাই হ্ৰস্বকালীন ব্যয় ৰেখাবোৰক ঢাকি ৰাখে। হ্ৰস্বকালীন ব্যয় ৰেখাবোৰৰ তুলনাত LAC ৰেখাত সদায় অধিক বহল হয়।



চিত্ৰ (x) ঃ দীঘকালীন গড় ব্যয় ৰেখা

দীৰ্ঘকালত যদি ব্যৱসায় প্ৰতিষ্ঠানে বৃহৎ মাত্ৰাৰ উৎপাদনৰ সুবিধাসমূহ লাভ নকৰে নতুবা কোনো অসুবিধাৰ ও সন্মুখীন নহয় তেতিয়া LAC ৰেখাডাল 'U' আকৃতিৰ নহ'ব। ই OX অক্ষৰেখাৰ সমান্তৰাল হ'ব। যেতিয়া উৎপাদনৰ প্ৰতিটো মাত্ৰাৰ অতিকৈ কম ব্যয়। নিচেই কম ব্যয় এটা আনটো সমান হয় তেতিয়া LAC ৰেখাডাল হ্ৰস্বকালীন গড় ব্যয় ৰেখাবোৰৰ নিম্নতম বিন্দুবোৰলৈ বৃত্তস্পৰ্শী সৰলৰেখা হয়। ইয়াক তলৰ চিত্ৰত দেখুওৱা হৈছে—



চিত্র (xi) ঃ হ্রস্বকালীন গড় ব্যয় ৰেখা


চিত্র (xi) ত LAC হ'ল দীর্ঘকালীন গড় ব্যয় ৰেখা যিটো সমতল সৰল ৰেখা। এইটো হ্রস্বকালীন গড় ব্যয় ৰেখা SC_1 SC_2 আৰু SC_3 লৈ স্পর্শী সৰলৰেখা হয়।

৫.৭.২ দীর্ঘকালীন প্রান্তিক ব্যয় (LMC)

আমি পূর্ববর্তী অংশত প্রান্তিক ব্যয় আৰু কিদৰে হ্রস্বকালীন প্রান্তিক ব্যয় নির্ণয় কৰা হয় আৰু হ্রস্বকালী গড় ব্যয় ৰেখাৰ সৈতে ইয়াৰ কি সম্পর্ক আছে ইত্যাদিৰ বিষয়ে বর্ণনা কৰিছো। হ্রস্বকালৰ দৰেই দীর্ঘকালীন প্রান্তিক ব্যয় ও গুৰুত্বপূণ হয়। গতিকে, দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখা কিদৰে উলিয়াব পাৰ তাক জনাটো প্রয়োজনীয়।

দীর্ঘকালীন গড় ব্যয় ৰেখাৰ পৰা দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখাডাল নির্ণয় কৰিব পাৰি, কাৰণ হ্রস্বকালীন প্রান্তিক ব্যয় ৰেখা হ্রস্বকালীন গড় ব্যয় ৰেখাৰ লগত যিদৰে সম্পর্কিত ঠিক একেদৰেই দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখা দীর্ঘকালীন গড় ব্যয় ৰেখাৰ লগত সম্পর্কিত হয়।

দীর্ঘকালীন গড় ব্যয় (LAC) ৰেখাৰ দৰেই দীর্ঘকালীন প্রান্তিক ব্যয় (LMC) ৰেখাও 'U' আকৃতিৰ হয়। উৎপাদনৰ প্রথমটো গোটৰ বাবে LMC আৰু LAC দুয়োটা সমান হয়। যেতিয়া উৎপাদন বৃদ্ধি হয়, LAC আৰম্ভণিতে হ্রাস হয় আৰু তেতিয়া এটা বিন্দুৰ পিছত ই (LAC) বৃদ্ধি হয়। যেতিয়ালৈকে গড় ব্যয় ক্রমান্বয়ে হ্রাস হৈ থাকে তেতিয়ালৈকে প্রান্তিক ব্যয় গড় ব্যয়তকৈ কম হৈ থাকিব লাগিব। যেতিয়া গড় ব্যয় বৃদ্ধি হৈ থাকে তেতিয়া প্রান্তিক ব্যয় গড় ব্যয়তকৈ অধিক হৈ থাকিব লাগিব। সেইবাবে LMC ৰেখা 'U' আকৃতিৰ ৰেখা হয়। ই LAC ৰেখাক ইয়াৰ নিম্নতম বিন্দুত তলৰ পৰা ছেদ কৰে।



চিত্র (xii) ঃ LAC আৰু LMC ৰেখাবোৰ

ওপৰৰ চিত্রটোৱে এটা আদর্শস্বৰূপ ব্যৱসায় প্রতিষ্ঠানৰ দীর্ঘকালীন প্রান্তিক ব্যয় আৰু দীর্ঘকালীন গড় ব্যয় ৰেখাবোৰৰ আকৃতি দেখুৱাইছে। LAC এ ইয়াৰ নিম্নতম অৱস্থা Q পৰিমাণৰ উৎপাদনত লাভ কৰিছে। Q ৰ বাওঁফালে LAC ক্রমান্বয়ে হ্রাস হৈ আছে আৰু LACতকৈ LMC কম হয় আৰু সেইবাবে LMC ৰেখা LAC ৰেখাৰ তলত অৱস্থান কৰিছে। Q ৰ সোঁফালে, LAC ক্রমান্বয়ে বৃদ্ধি হৈ আছে আৰু LAC তকৈ LMC অধিক হয় আৰু সেইবাবে, LMC ৰেখাডাল LAC ৰেখাৰ ওপৰত অৱস্থান কৰিছে।

LAC আৰু LMC ৰ মাজত সম্পর্ক

i) যিহেতুকে LAC 'U'- আকৃতিৰ হয় সেয়েহে LMC ৰেখাও U আকৃতিৰ হয়।

ii) যেতিয়া LAC হ্রাস হয় তেতিয়া LMC ৰেখা LAC ৰেখাৰ তলত থাকে আৰু যেতিয়া LAC বৃদ্ধি হয় তেতিয়া LMC ৰেখাডাল LAC ৰেখাৰ ওপৰত থাকে।

iii) LAC ৰেখাৰ নিম্নতম বিন্দুত LAC আৰু LMC দুয়োটা সমান হয়।

iv) LMC এ সদায় LAC ৰেখাক ইয়াৰ নিম্নতম বিন্দুত তলৰ পৰা ছেদ কৰে।

৫.৮ ব্যয় অপেক্ষ কৰ পৰিচালন সম্পর্কীয় ব্যৱহাৰসমূহ

পূর্বতে বর্ণনা কৰা দৰেই উৎপাদন ব্যয় স্থল উৎপাদনসমূহৰ আহৰণ কৰিবৰ বাবে কৰা এক নির্দিষ্ট পৰিমাণৰ ব্যয়। ব্যৱসায় প্রতিষ্ঠানৰ বাবে ই হ'ল এটা দ্রব্য উৎপাদন বা সেৱাসমূহৰ যোগাৰ কৰি দিয়াৰ বাবে বহন কৰা ব্যয়। এইদৰে কেঁচা সামগ্রী, শ্রমৰ সৈতে সংযোগ থকা আৰু অন্যান্য শিতানত বহন কৰা ব্যয় বা খৰছে উৎপাদনৰ সামগ্রিক ব্যয় গঠন কৰে।

সুস্পষ্ট ব্যৱসায় সিদ্ধান্ত নির্ধাৰণৰ বাবে এজন পৰিচালন অর্থনীতিবিদৰ বিভিন্ন ব্যয় ধাৰণাৰ এটা স্পষ্ট জ্ঞান থাকিব লাগিব। প্ৰত্যেকটো ব্যৱসায় প্ৰতিষ্ঠানৰ প্ৰধান অভিপ্ৰায় হ'ল সৰ্বোচ্চ পৰিমাণৰ মুনাফা উপাৰ্জন কৰা আৰু ই ব্যৱসায়ৰ যথার্থ কার্যনির্বাহকৰ ওপৰত নির্ভৰ কৰে। এখন ব্যৱসায় প্ৰতিষ্ঠানে ইয়াৰ উৎপাদন ব্যয় কম বা লাঘব কৰি সৰ্বোচ্চ মুনাফা উপাৰ্জন কৰিব পাৰে। এজন সুদক্ষ পৰিচালকে প্ৰতি গোটত নিচেই কম উৎপাদন ব্যয়ত সৰ্বোচ্চ পৰিমাণৰ উৎপাদন কৰিব পাৰে। উৎপাদন পৰিমাণ হ'ল এটা গুৰুত্বপূর্ণ উপাদান যিয়ে ব্যয়ক প্ৰভাৱিত কৰে।

ব্যয় আৰু উৎপাদন সম্পর্কই প্ৰকাস্য কাৰখানাৰ আকাৰ নির্ধাৰণ কৰোতে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। উৎপন্নৰ প্ৰতিগোটত নিম্নতম ব্যয়ৰ হিচাপতপ্ৰকাস্য ব্যৱসায়িক কাৰখানাৰ সংজ্ঞা দিয়া হয়। আন কথাত এটা প্ৰকাস্য ব্যৱসায়িক কাৰখানাৰ আকাৰ সেই মূল্যৰ দ্বাৰা নির্ধাৰণ কৰা হয় যিটোৰ গড় ব্যয় নিম্নতম হয়। আনুমানিক নির্ধাৰিত ব্যয় ফলনে পৰিচালকক তলৰ বিষয়বোৰৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত লোৱাত সহায় কৰে।

(i) প্ৰকাস্য ব্যৱসায়িক কাৰখানাৰ আকাৰ নির্ধাৰণ।

(ii) কোনো এক নির্দিষ্ট ব্যৱসায়িক কাৰখানাৰ আকাৰৰ বাবে প্ৰকাস্য উৎপন্ন নির্ধাৰণ।

(iii) ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখা নির্ধাৰণ।

সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত একহাতেদি এজন পৰিচালকে উপাদানসমূহ আৰু উৎপন্নৰ মাজৰ সম্পর্ক আৰু আনহাতেদি উৎপন্ন আৰু ব্যয় সুস্পষ্টকৈ বুজি পাব লাগিব। এটা ব্যৱসায় প্ৰতিষ্ঠানৰ কোনো এক নির্দিষ্ট উৎপন্নৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰয়োজন হোৱা উপাদানসমূহৰ প্ৰকাস্য মিশ্ৰণ নির্ধাৰণৰ ক্ষেত্ৰত হ্ৰস্বকালীন উৎপাদন অনুমান উৎপাদন পৰিচালকৰ বাবে সহায়কাৰী হয়। ইয়াক উৎপাদন বিশ্লেষণত উপাদানসমূহৰ নিম্নতম ব্যয় সংযোজন বুলি কোৱা হয়। যদি এখন ব্যৱসায় প্ৰতিষ্ঠানৰ উৎপাদন ফলন জনা থাকে তেতিয়া কোনো এক নির্দিষ্ট ব্যয়ত প্ৰকাস্য উৎপন্নৰ পৰিমাণ নির্ধাৰণ কৰিব পাৰি। দীর্ঘকালীন উৎপাদন ফলন অনুমানিক হিচাবে দীর্ঘকালীন প্ৰকৃতিৰ ব্যয় (যেনে মূলধন ব্যয়) বুজি পোৱা আৰু সিদ্ধান্ত গ্ৰহণত এজন পৰিচালকক সহায় কৰিব পাৰে। ব্যয় ৰেখাবোৰৰ অনুমানে এজন পৰিচালকক ব্যয় ৰেখাবোৰৰ প্ৰকৃতি আৰু আকৃতি বুজি পোৱাত আৰু ব্যৱহাৰোপযোগী সিদ্ধান্ত লোৱাত সহায় কৰিব।

যিহেতুকে কিছুমান গুৰুত্বপূর্ণ সিদ্ধান্তৰ বাবে বহুতো তথ্যৰ প্ৰয়োজন হ'ব সেয়ে হ্ৰস্বকালীন ব্যয় ফলন আৰু দীর্ঘকালীন ব্যয় ফলন এই দুয়োটাই নির্ধাৰণ কৰিব লাগিব।

হ্ৰস্বকালীন ব্যয় ফলনৰ জ্ঞানৰ পৰা সিদ্ধান্ত গ্ৰহণকাৰীসকলে বর্তমানৰ উৎপাদনৰ পৰিমাণৰ প্ৰকাস্যতাক বিচাৰ আৰু সিদ্ধান্তৰ সমস্যাবোৰ সমাধান কৰিব পাৰে। ব্যৱসায়িক সৰঞ্জামৰ আকাৰ সম্প্ৰসাৰণ বা সংকোচন বিবেচনা কৰিবলৈ দীর্ঘকালীন ব্যয় ফলনৰ জ্ঞান গুৰুত্বপূর্ণ হয়। উৎপাদিত উৎপন্নৰ পৰিমাণৰ বাবে বর্তমান ব্যৱসায়িক কাৰখানা যে প্ৰকাস্য হয় সেইটো সাব্যস্ত কৰিবলৈও এইটো গুৰুত্বপূর্ণ হয়।

পূর্বৰ অংশত আমি বিভিন্ন হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ব্যয় ৰেখাৰ বিষয়ে বৰ্ণনা কৰিছো। দীৰ্ঘকালত প্ৰকাস্য ব্যৱসায়িক কাৰখানাৰ আকাৰ সেইটো পৰিমাণত নিৰ্ধাৰণ হয় য'ত দীৰ্ঘকালীন গড় ব্যয় নিম্নতম হয়। কোনো এক নিৰ্দিষ্ট ব্যৱসায়িক কাৰখানাৰ বাবে প্ৰকাস্য উৎপন্নৰ পৰিমাণ সেই বিন্দুত পোৱা যাব য'ত গড় ব্যয় নিম্নতম হয়। এই চৰ্তটো হ্ৰস্বকালীন ব্যয় ৰেখাবোৰৰ বাবে সঁচা বুলি প্ৰমাণ কৰিব কৰিব পাৰি।



অনুশীলন

আপোনাৰ অঞ্চলৰ ২-৩টা ব্যৱসায় প্ৰতিষ্ঠান পৰিদৰ্শন কৰক আৰু পৰিচালকসকলৰ লগত তেওঁলোকৰ ব্যয় গাঁথনি সম্পৰ্কে/সম্বন্ধে আলোচনা কৰক। লগতে তেওঁলোকে ব্যৱহাৰ কৰি থকা উৎপাদন কৌশল/পদ্ধতিৰ বিষয়েও তেওঁলোকক সোধক। উৎপাদনৰ অভিপ্ৰায় কি আৰু তেওঁলোকে উৎপাদন ব্যয় হ্ৰাস কৰিবলৈ কিদৰে চেষ্টা কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ঃ সত্য বা অসত্য লিখা ঃ

(ক) দীৰ্ঘকালত কোনো স্থিৰ ব্যয় নাথাকে।

(খ) দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ তুলনাত হ্ৰস্বকালীন গড় ব্যয় ৰেখাডাল অধিক বহল হয়।

(গ) LMC ৰেখাডাল 'U' আকৃতিৰ হয়।

প্ৰশ্ন নং ১২ঃ LAC ৰেখাডাল কিয় U আকৃতিৰ হয়?

প্ৰশ্ন নং ১৩ঃ এটা ব্যৱসায়ত ব্যৱহাৰ কৰিবলগীয়া ব্যয় ফলনটো কোনে নিৰ্ধাৰণ কৰে?

প্ৰশ্ন নং ১৪ঃ প্ৰকাস্য ব্যৱসায়িক কাৰখানাৰ আকাৰ কিমান পৰিমাণত নিৰ্ধাৰণ হয়?



৫.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- উৎপাদন প্ৰক্ৰিয়াত উৎপাদনৰ উপাদানসমূহে আগবঢ়োৱা সেৱাসমূহৰ বাবে সেইবোৰক (যিখিনি) পৰিশোধ কৰা পাৰিশ্ৰমিকেই হ'ল উৎপাদন ব্যয়।
- এখন ব্যৱসায় প্ৰতিষ্ঠানৰ ব্যয় ফলনে ব্যয় আৰু উৎপন্নৰ মাজত কাৰিকৰী সম্পৰ্কক দেখুৱায়।
- যিকোনো দ্ৰব্যৰ সুযোগ ব্যয় হ'ল ইয়াৰ পৰৱৰ্তী উত্তম দ্ৰব্য যিটো ত্যাগ কৰা হয়। ইয়াক বিকল্প ব্যয় বুলিও কোৱা হয়।

- প্রকাশ্য ব্যয় বুলিলে উৎপাদনৰ সেইবোৰ উপাদানৰ ব্যয়ক বুজায় যিবোৰৰ মূল্য বাহিৰৰ উৎসবোৰক পৰিশোধ কৰা হয়। আনহাতে, নিজৰ মালিকানাধীন সম্পদৰ খৰছেই হ'ল অন্তর্নিহিত ব্যয়।
- সময়-কালৰ ভিত্তিত উৎপাদন ব্যয়ক দুটা ভাগত বিভক্ত কৰা হয়। হ্ৰস্বকালীন ব্যয় আৰু দীর্ঘকালীন ব্যয়।
- হ্ৰস্বকালত স্থিৰ ব্যয় আৰু পৰিৱর্তনশীল ব্যয় থাকে। এখন ব্যৱসায় প্রতিষ্ঠানে স্থিৰ উপাদান যেনে ভূমি, মেশ্বিন/উৎপাদন যন্ত্ৰ/ কৌশল ইত্যাদিক পৰিশোধ কৰিবলৈ বহন কৰা ব্যয় হ'ল স্থিৰ ব্যয়। পৰিৱর্তনশীল উপাদান যেনে— কেচা সামগ্ৰী ক্ৰয়ৰ ব্যয়, আকাস্মিক শ্ৰমিকক পৰিশোধ কৰা মজুৰি ইত্যাদিৰ বাবদ বহন কৰা খৰছেই হ'ল পৰিৱর্তনশীল ব্যয়।
- কোনো এক নির্দিষ্ট পৰিমাণৰ উৎপন্ন উৎপাদন কৰিবলৈ এটা ব্যৱসায় প্রতিষ্ঠানে বহন কৰা মুঠ পৰিমাণৰ ব্যয়ক মুঠ ব্যয় বোলে। TC = TFC + TVC উৎপন্নৰ পৰিমাণ বৃদ্ধিৰ সৈতে মুঠ ব্যয় বৃদ্ধি হয় বাবেই TC ৰেখা সদায় ওপৰলৈ উর্ধগামী হয়।
- উৎপন্নৰ (Q) প্রতি গোটৰ মুঠ ব্যয় ই হ'ল গড় ব্যয়। $AC = TC/Q$ । AC ৰেখা U আকৃতিৰ হয়।
- উৎপন্নৰ প্রতিগোটৰ পৰিৱর্তনৰ ফলত হোৱা মুঠ ব্যয়ৰ পৰিৱর্তেনেই হ'ল প্রান্তিক ব্যয়।
- প্রকাশ্য ব্যৱসায়িক সৱঞ্জামৰ আকাৰ নির্ধাৰণৰ ক্ষেত্ৰত ব্যয় উৎপন্ন সম্পর্কেই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেইবাবে এই সম্পর্কক এজন পৰিচালকে সুস্পষ্টকৈ বুজি পোৱা উচিত। প্রকাশ্য ব্যৱসায়িক সৱঞ্জামৰ আকাৰ সেই পৰিমাণত নির্ধাৰণ হয় য'ত গড় ব্যয় নিম্নতম হয়।



৫.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2007); *Advanced Economic Theory: Microeconomic Analysis*; New Delhi: S. Chand & Company Ltd.
2) Chopra, P.N. (2008): *Micro Economics*; Ludhiyana: Kalyani Publication.
3) Dewett, K.K. (2005). *Modern Economic Theory*; New Delhi: S. Chand & Company Ltd.
4) Sundharam, K.P.M. & Vaish M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Company Ltd.



৫.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ উৎপাদন প্ৰক্ৰিয়াত আগবঢ়োৱা/সমৰ্পন কৰা সেৱাৰ বাবদ উৎপাদনৰ উপাদানবোৰক যি মূল্য পৰিশোধ কৰা হয় তাকেই উৎপাদন ব্যয় বুলি কোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰঃ যিকোনো দ্ৰব্যৰ সুযোগ ব্যয় হ'ল ইয়াৰ পৰৱৰ্তী উত্তম বিকল্প দ্ৰব্য যিটো ত্যাগ/উৎসৰ্গ কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ উৎপাদনৰ সেইবোৰ উপাদানৰ ব্যয়ই হ'ল প্ৰকাশ্য ব্যয় যিবোৰ বাহিৰৰ উৎসবোৰক পৰিশোধ কৰা হয়। নিজৰ মালিকানাধীন সম্পদৰ ব্যয়ই হ'ল অন্তৰ্নিহিত ব্যয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ এটা দ্ৰব্য উৎপাদনত মুদ্ৰাৰ ৰূপত যি ব্যয় বহন কৰা হয় তাকেই উৎপাদনৰ মুদ্ৰাগত ব্যয় বোলে।

৫ নং প্ৰশ্নৰ উত্তৰঃ হিচাব ব্যয়ে কেৱল প্ৰকাশ্য ব্যয়ক অন্তৰ্ভুক্ত কৰে আৰু আৰ্থিক ব্যয় = হিচাব ব্যয় + অন্তৰ্নিহিত ব্যয়।

৬ নং প্ৰশ্নৰ উত্তৰঃ (ক) হ্ৰস্বকালীন ব্যয়ক স্থিৰ ব্যয় আৰু পৰিৱৰ্তনশীল ব্যয় এই দুই ভাগত বিভক্ত কৰা হয়।

(খ) AC = AFC + AVC

৭ নং প্ৰশ্নৰ উত্তৰঃ TFC ৰেখা হ'ল এডাল সমতল সৰল ৰেখা অথবা ই পৰিমাণ অক্ষৰ সমান্তৰাল হয়।

৮ নং প্ৰশ্নৰ উত্তৰঃ দিয়া আছে—

TC = 500 টকা

Q = 100 গোট

$\therefore AC = \frac{TC}{Q} = \frac{500}{100}$ = 5 টকা।

৯ নং প্ৰশ্নৰ উত্তৰঃ MC ৰেখাই AC ৰেখাৰ নিম্নবিন্দুত ছেদ কৰে।

১০ নং প্ৰশ্নৰ উত্তৰঃ MC ৰেখা U আকৃতিৰ হয়।

১১ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ।

১২ নং প্রশ্নৰ উত্তৰঃ মাত্রাৰ মিত্যবয়িতা আৰু মাত্রাৰ অমিতব্যয়িতাৰ বাবে LAC ৰেখা U আকৃতিৰ হয়।

১৩ নং প্রশ্নৰ উত্তৰঃ ব্যৱসায়ত ব্যৱহাৰ কৰিব লগীয়া ব্যয় ফলনটো পৰিচালকসকলে নির্ধাৰণ কৰে।

১৪ নং প্রশ্নৰ উত্তৰঃ গড় ব্যয়ৰ পৰিমাণ য'ত কম হয়।



৫.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ উৎপাদন ব্যয় কি?

প্রশ্ন ২ঃ সুযোগ ব্যয় কি? এটা উদাহৰণ দিয়ক।

প্রশ্ন ৩ঃ প্রকাশ্য আৰু অন্তর্নিহিত ব্যয় কি?

প্রশ্ন ৪ঃ মুঠ ব্যয়, গড় ব্যয় আৰু প্রান্তিক ব্যয়ৰ সংজ্ঞা দিয়ক আৰু চিত্রৰ সহায়ত সিহঁতবোৰৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ MC ৰেখা কিয় U আকৃতিৰ হয়।

প্রশ্ন ৬ঃ MC ৰেখাই AC ৰেখাক কোনটো বিন্দুত ছেদ কৰে? ব্যাখ্যা কৰক।

প্রশ্ন ৭ঃ প্রকাশ্য ব্যৱসায়ীক কাৰখানাৰ আকাৰ নির্ধাৰণ কৰোতে ব্যৱসায়ৰ পৰিচালকে কি ভূমিকা পালন কৰে, আলোচনা কৰক।

*** ***** ***